জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭০/২০২১

# ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়কে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ২৮ মে' ঃ** ডিমা হাছাও জিলাৰ বিধায়ক, ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যকে ধৰি অন্যান্য কাৰ্যবাহী সদস্যসকলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি জিলাখনৰ বিভিন্ন সমস্যাৰ বিষয়ে এক আলোচনাত মিলিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলাখনৰ ক'ভিড পৰিস্থিতি সম্পৰ্কে বিধায়ক তথা স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াসকলৰ পৰা সম্যক বুজ লয়। জিলাখনৰ ক'ভিড নিৰাময়ৰ দিশত সহায়ক হোৱাকৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ভেকচিন প্ৰদান কাৰ্যসূচী দ্ৰুততৰ কৰাৰ উপৰি সকলো ধৰণৰ কাৰ্যব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে। বৈঠকত প্ৰতিনিধি দলটোৱে জিলাখনৰ উন্নয়নৰ বিভিন্ন বিষয় মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ উন্নয়ন ত্বৰান্বিত কৰাৰ দিশত চৰকাৰে ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে।

আজিৰ এই বৈঠকত বিধায়ক নন্দিতা গাৰ্লোছা, ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেবলাল গাৰ্লোছা আৰু অন্যান্য কাৰ্যবাহী সদস্যসকলে অংশ লয়।

**পুঃডেঃ / বঃভাঃ**
**২৮/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in